**সাহিত্য চ'ৰা : অসমীয়া বিভাগ"**

ইংৰাজী ২০০২ চনৰ ২২ আগষ্ট তাৰিখ বৃহস্পতিবাৰে মহাবিদ্যালয়ৰ ৬নং কোঠাত "সাহিত্য চ'ৰা : অসমীয়া বিভাগ" নামৰ অনুষ্ঠানটিৰ জন্ম হৈছিল। উক্ত দিনা তদানীন্তন বিভাগীয় মুৰব্বী ডঃ ফনীন্দ্ৰ চন্দ্ৰ ঠাকুৰীয়াদেৱক সভাপতি আৰু বৰ্তমানৰ সহযোগী অধ্যাপক সুনীল তালুকদাৰ আৰু সহকাৰী অধ্যাপক এডৱাৰ্ড ষ্টেডী চাংমা যুটীয়াভাৱে সম্পাদক হিচাপে মনোনীত হৈছিল। অনুষ্ঠানটিৰ মূল লক্ষ্য আছিল বিভাগৰ গুৰু পাঠ্যক্ৰমৰ ছাত্ৰ-ছাত্ৰীসকলক সৃষ্টিশীল কৰ্মৰ প্ৰতি আগ্ৰহী কৰি তোলা। উল্লেখযোগ্য যে চ'ৰাৰ নীতি নিয়ম মানি চলিবলৈ সন্মত আৰু লেখা-মেলাৰ প্ৰতি আগ্ৰহী অইন ছাত্ৰ-ছাত্ৰীকো ইয়াৰ সদস্য কৰাত আপত্তি নাই। মূল লক্ষ্যৰ লগতে অনুষ্ঠানটিৰ উদ্দেশ্য আছিল একাধিক। সেই সমূহৰ ভিতৰত বিভাগৰ গুৰু পাঠ্যক্ৰমৰ ছাত্ৰ-ছাত্ৰীসকলক লেখা মেলাৰ প্ৰতি আগ্ৰহী কৰি তোলা। সুকুমাৰ কলা -- বিশেষকৈ সংগীত, নৃত্য, অভিনয়, আবৃত্তি আদিৰ প্ৰতি আগ্ৰহী কৰা। বছৰেকত এবাৰ হ'লেও শিক্ষামূলক ভ্ৰমণ কৰোৱা। বিশিষ্ট শিল্পী, সাহিত্যিক, বুদ্ধিজীৱী আদিক আমন্ত্ৰণ কৰি বক্তৃতা প্ৰদান কৰোৱা। চ'ৰাৰ মুখপত্ৰ হিচাপে বছৰী 'বাটচ'ৰা' নামেৰে এখনি বাৰ্তালোচনী আৰু 'অণুৰণন ' নামেৰে প্ৰাচীৰ পত্ৰিকা এখনি প্ৰকাশ কৰা। সময় সুবিধা অনুসৰি গ্ৰন্থ প্ৰকাশৰ ব্যৱস্থা কৰা। ইয়াৰোপৰি বিভিন্ন তিথি, দিৱস আদি পালন কৰা। সৰু সৰু প্ৰজেক্টৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা বিভিন্ন সমল সংগ্ৰহ কৰা চ'ৰাৰ প্ৰধান উদ্দেশ্য। উক্ত উদ্দেশ্যসমূহৰ সকলোবোৰ জন্মলগ্নৰে পৰা নিয়াৰিকৈ কৰি অহা হৈছে। চ'ৰাৰ বাৰ্ষিক অধিবেশনত থিতাতে লিখা গল্প, কবিতা, প্ৰবন্ধ আদি বিয়ানাম, কুইজ আদি প্ৰতিযোগিতা অনুষ্ঠিত কৰা হৈ আহিছে। ইতিমধ্যে ইংৰাজী ২০০২ চনত 'বাক্-চয়নিকা' আৰু ২০০৮ চনত 'প্ৰবন্ধ চয়নিকা' নামেৰে দুখন পুথি প্ৰকাশ কৰা হৈছে। ক'ভিড -১৯ৰ আগলৈ 'বাটচ'ৰা' আৰু 'অণুৰণন' নিয়মীয়াকৈ প্ৰকাশ পাইছিল। সম্প্ৰতি আকৌ নিয়মীয়া কৰাৰ দিহা কৰা হৈছে। আশা কৰোঁ "সাহিত্য চ'ৰা : অসমীয়া বিভাগ" এদিন ইয়াৰ লক্ষ্য আৰু উদ্দেশ্যসমূহ পৰিপূৰ্ণ কৰাত সফল হব।